জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫৪/২০২০

<u>ডিব্ৰুগড়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# গুৰুজনা আমাৰ জীৱন দৰ্শনৰ পথ প্ৰদৰ্শক ঃ মুখ্যমন্ত্ৰী

## <u>গুৰুজনাৰ শ্ৰীচৰণত সেৱা নিবেদি অসমবাসীৰ মংগলৰ বাবে প্ৰাৰ্থনা জনালে মুখ্যমন্ত্ৰীয়ে</u>

**দিছপুৰ, ২০ আগষ্ট ঃ** 'জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অনন্য সৃষ্টিকৰ্মৰে বৃহত্তৰ অসমীয়া জাতিৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ ভেটি শক্তিশালী কৰি থৈ গৈছে। গুৰুজনা আমাৰ জীৱন দৰ্শনৰ পথ প্ৰদৰ্শক।' আজি ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী আউনীআটী কছাৰীবাৰী শাখা সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে গুৰুজনাৰ শ্ৰীচৰণত সেৱা নিবেদি অসমবাসীৰ মংগলৰ বাবে প্ৰাৰ্থনা জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে এই পূণ্য ভূমিত জন্ম লাভ কৰা প্ৰতিগৰাকী ব্যক্তিক শান্তি প্ৰাপ্তিৰ বাবে গুৰুজনাই পথৰ সন্ধান দি গৈছে। গুৰুজনাৰ চৰণত ভক্তিভাৱে মূৰ দোৱালে এই পথৰ সন্ধান পাব পৰা যায়। তেওঁ কয় যে ধৰিত্ৰীৰ সৌন্দৰ্য উপভোগৰ বাবেও ভক্তিভাৱৰ প্ৰয়োজন। মানৱতা ৰক্ষা কৰাটো মানুহৰ কৰ্তব্য আৰু অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰ কৰিলেহে প্ৰকৃত মানুহ হ'ব পৰা যায়। কলুষিত মন পৰিস্কাৰ কৰাৰ বাবে গুৰুজনাৰ আদৰ্শৰ প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাৰ জীৱনেই আদৰ্শ। গুৰু জনাৰ কৰ্মৰাজিৰ প্ৰতিটো অধ্যায়তে আদৰ্শ আছে আৰু সেই আদৰ্শই আমাক জ্ঞান প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাৰ আদৰ্শৰে আমি ৰাজ্যখনক বিশ্বৰ বুকুত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব লাগিব। কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, সামাজিক-সাংস্কৃতিক, আধ্যাত্মিক, অৰ্থনৈতিক দিশত আগুৱাই যাবলৈ হ'লে গুৰুজনাৰ আশীৰ্বাদৰ প্ৰয়োজন। আমি এই কাম কৰিবলৈ সক্ষম হ'ম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই আমাক মহামন্ত্ৰ প্ৰদান কৰি গৈছে। সমন্বয়ৰ জৰিয়তে শক্তিশালী সমাজ নিৰ্মাণৰ পৰামৰ্শ দি গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে সকলোৱে মিলা-প্ৰীতিৰে থাকি ৰাজ্যখনৰ শক্তি বৃদ্ধি কৰিব লাগিব। আমাৰ মাজত যি শিষ্টাচাৰ, মানৱীয় অনুভূতি আছে সেয়া আমি কৰ্মপথাৰত প্ৰতিফলন কৰিব লাগিব। শ্ৰদ্ধা-ভক্তি, মৰম-চেনেহ আৰু আন্তৰিকতাৰে মানুহে মানুহৰ বাবে মানৱীয় অনুভূতিৰে কাম কৰিব লাগিব। এই কাম যদি প্ৰতিজন অসমীয়াই নিষ্ঠাৰে কৰে তেতিয়া নিশ্চিতভাৱে গুৰুজনাৰ আত্মাই শান্তি পাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপুৰঞ্জন মাক্ৰাৰী, অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক প্ৰমুখ্যে ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ**
২০/০৮/২০২০